# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১৬/২২-২৩
*Ref :*

তাৰিখ : ১০-১০-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ৰ দ্বাৰা আয়োজিত
## ‘আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা’ৰ ফলাফল ঘোষণা

**নুনমাটি, ১০ অক্টোবৰ, ২০২২ :** অসম জাতীয় বিদ্যালয়ৰ ‘ৰসৰাজ সাহিত্য চ’ৰা’ৰ উদ্যোগত আয়োজন কৰা আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ঘোষিত ফলাফল অনুসৰি প্ৰতিযোগিতাৰ প্ৰথমটো শাখাত (বিষয় : পদ্যৰ গদ্য ৰূপ, নিৰ্বাচিত পদ্য : গছ ভালপোৱা ককাৰ খং) প্ৰথম পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰিছে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী গহনা চক্ৰৱৰ্তী আৰু ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী অনিৰুদ্ধ গগৈয়ে। দ্বিতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰিছে উত্তৰ গুৱাহাটীৰ সৰলা বিৰলা জ্ঞানজ্যোতি বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ যুগব্ৰতা মহন্ত আৰু গোলাঘাট জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী লিজা বৰাই। তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰিছে দেৰগাঁও জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ঋদ্ধিপ্ৰাণ বৰা আৰু জালুকবাৰী জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী জিয়া দাসে। প্ৰতিযোগিতাৰ দ্বিতীয়টো শাখাত (বিষয় : গদ্যৰ পদ্য ৰূপ, নিৰ্বাচিত গদ্য : তিনিটা মাছৰ কথা) প্ৰথম পুৰস্কাৰ লাভ কৰে ৰঙামাটি বহুমুখী জাতীয় বিদ্যালয়, বাদুলীপাৰ গোলাঘাটৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী পূৰ্বদিশা শৰ্মাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অষ্টম শ্ৰেণীৰ প্ৰজ্বলিতা বড়াই আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰিছে গোলাঘাট জাতীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী অংকিত ভূঞা আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী গীতাৰ্থ শৰ্মাই। আনহাতে প্ৰতিযোগিতাৰ তৃতীয়টো শাখাত (বিষয় : অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত পদ্মনাথ গোহাঞি বৰুৱাৰ ভূমিকা) প্ৰথম পুৰস্কাৰ লাভ কৰিছে গোলাঘাট জাতীয় মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী হেমন্ত বৰাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী তন্ময়ী বৰুৱাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰিছে গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, দৰঙৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী মৃগাংক কলিতাই। এই সাহিত্য প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্বত আছিল ক্ৰমে— জোনমণি দাস, ড° বিজয় শংকৰ বৰ্মন আৰু ৰ’দালি চেতিয়া। পুৰস্কাৰপ্ৰাপ্ত শিক্ষাৰ্থীসকলক অহা ১৪ অক্টোবৰ তাৰিখে অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ’বলগীয়া ‘সাহিত্য দিৱস’ত পুৰস্কৃত কৰা হ’ব। উল্লেখযোগ্য যে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা স্মৃতিত প্ৰতি বছৰে আয়োজন কৰা সাহিত্য দিৱসৰ এইবাৰৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসমৰ এগৰাকী বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক অৰূপা পটংগীয়া কলিতা।

উৎপল ডেকা
(উৎপল ডেকা)
আহ্বায়ক
ৰসৰাজ সাহিত্য চ’ৰা
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

(ঘনশ্যাম মোধ)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০